*Management of Social issues and concerns*

- People from adjoining areas especially given job preference for temporary unskilled labour requirement through local contractors.
- Prior to the commencement of the proposed activity, a consultation program will be conducted by HOEC with the target groups and local authorities. The primary objective of such consultation will be to share with the concerned villagers/stakeholders the objective of the proposed project associated impacts and their mitigation.
- HOEC will give emphasis and priority on periphery development, development of health facilities and provision for drinking water facility as per Corporate Social Responsibility (CSR) Plan.
- The drill site would be fenced and gates would be constructed so that the children are refrained from straying into the site.

***Project Cost***

The total cost of the project would be approximately USD 85 million. The tentative budget for implementation of the environmental management plans for drilling of wells is estimated to be INR 25.92 lakh per well and total budget for 24 wells is 622.32 lakhs.

# কাৰ্যকৰী সাৰাংশ

## ভূমিকা

AAP-ON-94/1 খণ্ডটো (ক্ষেত্ৰফল ৩০৫ বৰ্গকিলোমিটাৰ) অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত। AAP-ON-94/1 খণ্ডটো প্ৰথমে নিষ্কাশনৰ হেতু হিন্দুস্থান অইল এক্সপ্লৰেছন কোম্পানী লিমিটেড (এইচওইচি), অইল ইণ্ডিয়া লিমিটেড (অইল) আৰু ইণ্ডিয়ান অইল কৰ্পৰেচন লিমিটেড (আইওচিএল)ক ভাৰত চৰকাৰৰ তৰফৰ পৰা যুটীয়াভাৱে দিয়া হৈছিল। এইওইচি অপাৰেটৰ হোৱাৰ বিপৰীতে অইল হৈছে খণ্ডটোৰ অনুজ্ঞাধাৰী।

সম্প্ৰতি এইচওইচি ছটা গেছ উৎপাদন কূঁপ, এটা গেছ জমাকৰা ষ্টেছন (জিজিএছ), এটা গেছ প্ৰক্ৰিয়াকৰণ প্ৰকল্প (জিপিপি) আৰু জিজিএছ-ৰপৰা জিপিপিলৈ আৰু জিপিপি-ৰপৰা কুশীজান জিজিএছলৈ (অইল ইণ্ডিয়া লিমিটেড) সংযোজী পাইপলাইন আছে। খণ্ডটোৰ পৰা হাইড্ৰকাৰ্বনৰ উৎপাদন বৃদ্ধি কৰিবলৈ, এইচওইচি-য়ে ২৪ টা বিকাশমূলক কূঁপ, দুটা জিজিএছ খননৰ লগতে জিপিপিৰ প্ৰসাৰণৰ দায়িত্ব লোৱাৰ লগতে জিজিএছ-১ (ভিতৰ পোৱাই)ৰ পৰা ট্ৰাংক পাইপলাইনলৈ ৫.৫ কিলোমিটাৰ আৰু জিপিপি-ৰপৰা আইওচিএল শোধানগৰলৈ (ডিগবৈ) ৮ কিলোমিটাৰ পাইপলাইন বহুওৱাৰ প্ৰস্তাৱ দিছে।

ইআইএ অধ্যয়ন চলোৱাৰ কাৰণে এইচওইচি-য়ে ২০১৮ৰ ২৩ এপ্ৰিলত ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ পৰা প্ৰসংগৰ চৰ্তাৱলী (টাৰ্ম অৱ ৰেফাৰেঞ্চ) লাভ কৰিছে। *NABET-QCI-* মান্যতাপ্ৰাপ্ত ইআৰএম ইণ্ডিয়া প্ৰাইভেট লিমিটেড নামৰ ফাৰ্মখনক এইচওইচিৰ দ্বাৰা প্ৰস্তাৱিত প্ৰকল্পৰ ইআইএ প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে দায়িত্ব দিয়া হৈছে।

### প্ৰকল্পৰ স্থান আৰু সুগমতা

বৰ্তমানে থকা কূঁপ, প্ৰস্তাৱিত কূঁপ আৰু জিজিএছ অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত। তিনিচুকীয়া জিলাৰ আৰু অসম তথা দেশৰ সৈতে সংযোজিত কৰা মূল পথটো হৈছে ৩৭ আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথ। খনন আৰু অইন কাৰ্যকলাপৰ বাবে আৱশ্যকীয় সা-সঁজুলি মজুত কৰাৰ বাবে ডিগবৈ চহৰতস্থিত এইচওইচি-ৰ ৱেৰহাউচ ব্যৱহাৰ কৰা হ'ব। সেয়া কূঁপবোৰ থকা এলেকাৰ পৰা প্ৰায় ১৭ কিলোমিটাৰ দূৰত অৱস্থিত। ডিৰক টি ইষ্টেট ক্ষেত্ৰ আৰু মাকুমকিলা ক্ষেত্ৰত থকা প্ৰস্তাৱিত কূঁপকেইটা ক্ৰমে মাৰ্ঘেৰিটা-দেওমালী পথ আৰু মাকুমকিলা পথৰ সৈতে সংযোজিত।

### কূঁপৰ পাৰিৱেশিক পৰিস্থিতি, জিজিএছ আৰু পাইপলাইনঃ

আটাইবোৰ প্ৰস্তাৱিত কূঁপ আৰু জিএছএছ অনা-বনাঞ্চলত অৱস্থিত। ১৬ টা কূঁপ আৰু এটা জিজিএছ ডিৰক এলেকাত অৱস্থিত আৰু ৮ টা কূঁপ আৰু এটা জিজিএছ মাকুমকিলা এলেকাত অৱস্থিত। ১৪ টা কূঁপ আৰু এটা জিজিএছ চাহ বাগানত থকাৰ বিপৰীতে ১০ টা কূঁপ কৃষিভূমি / পামধৰা মাটিত অৱস্থিত। আটাইকেইটা প্ৰস্তাৱিত কূঁপ আৰু ডিডিএছ দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যৰ ৫.০ কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাত অৱস্থিত। এইচওইচি-য়ে ১১ টা কূঁপ আৰু এটা জিজিএছৰ কাৰণে বন্যপ্ৰাণী অনুমোদন লৈছে। বাকীকেইটা কূঁপ আৰু জিজিএছৰ কাৰণে আৱশ্যকীয়

অনুমতি এনবিডব্লিউএল-ৰ পৰা লোৱা হ'ব।

## প্ৰকল্পৰ বৰ্ণনা

খনন ক্ষেত্ৰ, তালৈ যোৱা পথ নিৰ্মাণঃ ক্ষেত্ৰ প্ৰস্তুতিৰ ভিতৰত থাকিব ক্ষেত্ৰখনৰ উপৰিভাগ এৰুৱাই পেলোৱা হ'ব আৰু ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে মজুত কৰি ৰখা হ'ব, ক্ষেত্ৰ আৰু তালৈ যোৱা পথ অঞ্চলটোৰ এইচএফএল অনুযায়ী স্থানীয়ভাৱে পোৱা সামগ্ৰীৰে ১ মিটাৰ ওখ কৰা হ'ব। খননৰ সময়ত কাটিং, বৰ্জ্য বোকা আৰু খনন তৰল, তেল/পানী পৃথকীকৰণৰ কাৰণে ষ্ট্ৰম ৱাটাৰ ড্ৰেইনেজ প্ৰণালীৰ কাৰণে কৰা এইচডিপিই লাইনেৰে আবৃত গাঁত (HDPE lined pits) নিৰ্মাণ কৰা হ'ব।

<u>কূঁপৰ খনন আৰু পৰীক্ষণঃ</u> কূঁপকেইটা ২৫০০ৰ পৰা ৩০০০ মিটাৰ গভীৰতালৈ খনন কৰা হ'ব। সিমানখিনি গভীৰতাত লক্ষ্যনিৰ্ধাৰিত তৈল আৰু গ্যাস ভাণ্ডাৰ থকাৰ আশা কৰা হৈছে। ষ্টেণ্ডাৰ্ড ৱাটাৰ বেচড ড্ৰিলিং মাডৰ সৈতে ষ্টেণ্ডাৰ্ড লেণ্ড ৰিগ নাইবা ম'বাইল লেণ্ড ৰিগ খননৰ কাৰণে ব্যৱহাৰ কৰা হ'ব। খননৰ পৰা সৃষ্ট কটা অংশবোৰ সংগ্ৰহ কৰি এক গোটা নিয়ন্ত্ৰণ প্ৰণালীৰ দ্বাৰা পৃথকীকৰণ কৰি সেয়া এইচডিপিই-ৰ শাৰীকৈ কৰা গাঁতত অন-চাইট নিষ্পত্তি কৰা হ'ব। খনন আৰু প্ৰক্ষালনৰ পৰা সৃষ্ট বৰ্জ্য জলো এইচডিপিই আবৃত গাঁতত পেলাই অন-চাইট নিষ্পত্তি কৰা হ'ব। চিপিচিবি-য়ে নিৰ্ধাৰণ কৰি দিয়া তৈল খনন আৰু গেছ নিষ্কাষণ উদ্যোগৰ বাবে পাৰিৱেশিক প্ৰদূষক নিৰ্গমণ বা প্ৰৱাহৰ মানৰ ক্ৰমিক নং 72A *(ii)* অনুসূচী উলংঘা নহয় সেয়া নিশ্চিত কৰিবলৈ এক ভ্ৰাম্যমান ইটিপি-ত বৰ্জ্য জলখিনি যথোচিতভাৱে শোধন কৰা হ'ব।

<u>ক্ষেত্ৰ নিমীলন (বন্ধ কৰা) আৰু উঠাই লোৱাঃ</u> খনন ক্ষেত্ৰসমূহ যথোচিতভাৱে পুনৰোদ্ধাৰ কৰা হ'ব আৰু পুনৰ্সংস্থাপিত কৰা হ'ব যদিহে কোনো বাণিজ্যিক ৰিজাৰ্ভ প্ৰতিস্থা কৰা নহয়। এই প্ৰক্ৰিয়াত থাকিব ৰিগ আৰু সকলো সম্পৰ্কিত মেচিনেৰী উঠাই লোৱা, খননৰ বৰ্জ্য পদাৰ্থ চিপিচিবি নিৰ্দেশনাৱলী অনুযায়ী নিষ্পত্তি কৰা, সামগ্ৰীবোৰৰ নিষ্পত্তি, ভূপৃষ্ঠভাগৰ পুনৰোদ্ধাৰ।

<u>জিজিএছ-ৰ নিৰ্মাণ আৰু পৰিচালনঃ</u> জিজিএছ-ৰ নিৰ্মাণকাৰ্যত ভূভাগ আগুৰি সীমাৰ বেৰ দিয়া হ'ব, ক্ৰেপিঙৰ পিছত উপৰিভাগৰ মাটি মজুত কৰা হ'ব। ক্ষেত্ৰৰ সীমাত পানীৰ নলা নিৰ্মাণ কৰা হ'ব যিয়ে যিকোনো সংযোজিত এলেকালৈ হ'বপৰা তাত্ক্ষণিক প্ৰৱাহ বহন কৰিব। সেয়েহে এক কংক্ৰিট পেড নিৰ্মাণ কৰা হ'ব য'ত তলত দিয়া অৱয়ববোৰ নিৰ্মাণ কৰা হ'বঃ

- টেষ্ট মেনিফল্ড*;*
- উত্পাদন মেনিফল্ড*;*
- ইলেক্ট্ৰিকেল হিটাৰ*;*
- ফায়াৰ ৱাটাৰ টেংক আৰু পাম্প*;*
- কেথডিক প্ৰটেক্সন চিষ্টেম*;*
- কম্প্ৰেছৰ ইউনিট*;*
- ডিজি ছেট (৪০০ KVA ক্ষমতাসম্পন্ন)

<u>পাইপলাইন স্থাপনঃ</u> পাইপলাইন বহুওৱাৰ কাৰণে একেধৰণৰ ভূমি প্ৰস্তুতি চলোৱা হ'ব যেনে ফেঞ্চিং

বহুওৱা হ'ব (ফ্লুৰ চেন্ট ৰিবন থকা), উপৰিভাগৰ মাটি মজুত কৰা হ'ব আদি। যথাযোগ্য গভীৰতালৈ ট্ৰেঞ্চিং আৰু ব ৰিং কৰাৰ পিছত পাইপলাইনৰ কিছু অংশ তললৈ নমোৱা হ'ব। ট্ৰেঞ্চত প্ৰথমে ভূমি অৱৰোধ কৰা শিল দিয়া হ'ব, তাৰপিছত পাইপলাইন নমোৱা হ'ব। পাইপলাইনৰ প্ৰতিটো অংশ পৃথকে পৃথকে বহুওৱা হ'ব, মাটি দিয়া হ'ব আৰু তাৰপিছত লগে লগে পিছৰ অংশৰ কাৰণে ট্ৰেঞ্চ খন্দা হ'ব।

## প্ৰকল্পৰ উপযোগীতা আৰু সমলৰ আৱশ্যকতা

### ভূমি

প্ৰতিটো খনন ক্ষেত্ৰৰ কাৰণে আৱশ্যকীয়া ভূমিৰ আনুমানিক পৰিমাণ হৈছে ২ হেক্টৰ আৰু প্ৰতিটো জিজিএছৰ কাৰণে প্ৰয়োজন ১ হেক্টৰ। ভূমি দীৰ্ঘম্যাদী লীজৰ যোগেদি আহৰণ কৰা হ'ব। পাইপলাইন বহুওৱাৰ বাবে ইতিমধ্যে থকা ৰাস্তা কামত খটুওৱা হ'ব।

### শক্তি

কুঁপ- প্ৰতিটো খনন ক্ষেত্ৰ বাবে আৱশ্যকীয় শক্তি ডিজি ছেটৰ জৰিয়তে আহৰণ কৰা হ'ব। ৬৭০ KVA ক্ষমতাসম্পন্ন দুটা ডিজি ছেট একে সময়তে কাৰ্যক্ষম কৰি ৰখা হ'ব আৰু খননৰ সময়ত এটা ষ্টেণ্ডবাই অৱস্থাত ৰখা হ'ব। আবাসিক শিবিৰ পোহৰাবৰ কাৰণে আৰু অইন জৰুৰীকালীন অৱস্থাৰ কাৰণে পোহৰৰ ব্যৱস্থাৰ বাবে এটা ১৩৪ কিলোৱাটৰ জেনেৰেটৰ উপলব্ধ কৰোৱা হ'ব।

জিজিএছ আৰু জিপিপি- ৪০০ KVAৰ এটা ডিজি ছেট কাৰ্যক্ষম হৈ থকা সময়ত চলোৱা হ'ব। জিপিপি-ৰ প্ৰস্তাৱিত প্ৰসাৰণৰ কাৰণে দুটাকৈ ৬০০ KVAৰ ডিজি ছেট ইনষ্টল কৰা হ'ব বুলি প্ৰস্তাৱ দাখিল কৰা হৈছে।

### পানী

কুঁপ- খননৰ সময়ত ক্ষেত্ৰত আৱশ্যকীয় পানীৰ পৰিমাণ দৈনিক ৪৫ৰ পৰা ৫০ ঘনমিটাৰ প্ৰয়োজন হ'ব। স্থানীয় যোগানকৰ্তাৰ দ্বাৰা এই আৱশ্যকতা পূৰ্তি কৰা হ'ব।

জিপিপি- বৰ্তমানৰ জিপিপি আৱশ্যকীয় পানীৰ পৰিমাণ হৈছে দৈনিক ১৫ ঘনমিটাৰ। প্ৰসাৰণৰ পিছত এই পৰিমাণ হ'ব দৈনিক ৩০ ঘনমিটাৰ।

#### মানৱসম্পদ

কুঁপ- নিৰ্মাণ তুংগত থকা সময়চোৱাত (ক্ষেত্ৰৰ প্ৰস্তুতিকে ধৰি) প্ৰায় ৪৫-৫০ গৰাকী ব্যক্তি প্ৰতিখন ক্ষেত্ৰত প্ৰয়োজন হ'ব। তাতে কৌশলী আৰু কৌশলবিহীন শ্ৰমিকৰ আৱশ্যক হ'ব। খনন কাৰ্যত নিয়োজিত মুঠ ব্যক্তিৰ সংখ্যা ৫০ জন হ'ব বুলি আশা কৰা হৈছে। স্থানীয় আৰু বাহিৰৰ শ্ৰমিকক কৌশল নাইবা প্ৰকল্পৰ আৱশ্যকতাৰ ভিত্তিত নিয়োগ কৰা হ'ব।

জিজিএছ আৰু জিপিপি- পাইপলাইন বহুওৱা আৰু জিজিএছ-ৰ নিৰ্মাণকাৰ্যত দৈনিক প্ৰায় ১০০-১২৫ গৰাকী ব্যক্তিৰ আৱশ্যক হ'ব। পৰিচালনৰ সময়ত দৈনিক প্ৰায় ৫০-৬০ জন ব্যক্তি জিজিএছ আৰু জিপিপি পৰিচালনত খটুওৱা হ'ব।

# বুনিয়াদী পাৰিপাৰ্শ্বিক স্থিতি

বুনিয়াদী পাৰিপাৰ্শ্বিক স্থিতিৰ অধ্যয়ন অক্টোবৰ-ডিসেম্বৰ ২০১৭ কৰা হয়। প্ৰস্তাৱিত কুঁৱাসমূহৰ কেন্দ্ৰৰ পৰা ১০ km ব্যাসাৰ্ধৰ এলেকা প্ৰাথমিক তথ্য সংগ্ৰহৰ অধ্যয়ন ক্ষেত্ৰত অন্তৰ্ভূক্ত কৰা হব।

## জলবায়ু আৰু বতৰবিজ্ঞান

অধ্যায়ন সময়ত বায়ুৰ সৰ্বোচ্চ আৰু সৰ্বনিম্ন তাপমাত্ৰা ৩৩.৮°C আৰু ১১.১°C পোৱা গৈছিল। গড় আপেক্ষিক আদ্ৰতা ৮৪.৫১% পোৱা গৈছিল। পোস্ট মনসুন (অক্টোবৰ-ডিচেম্বৰ ২০১৭) লোৱা প্ৰতি ঘন্টাৰ ডাটা অনুসৰি অনুমান কৰা হৈছে যে ঘন্টাত ০.২৩ m/s বেগত উত্তৰ পূবৰ দিশৰ পৰা বতাহৰ গতিঅনুভূত হয়। সৰ্বোচ্চ বায়ুৰ গতিবেগ ৩.৩৬ m/s পোৱা গৈছিল।

## বায়ুৰ গুণাগুণ

৮ টা প্ৰতিনিধিত্বমূলক অৱস্থানত $PM_{10}$, $PM_{2.5}$, চালফাৰ ডাইঅক্সাইড ($SO_2$), নাইট্ৰজেন ডাইঅক্সাইড ($NO_2$), কাৰ্বন মনোক্সাইড (CO), মিথেন আৰু নন-মিথেন ক প্ৰতিনিধিত্ব কৰা বায়ুমণ্ডলৰ বায়ুৰ গুণগত মানদণ্ড নিৰীক্ষণ কৰা হৈছিল। প্ৰাথমিক পৰ্য্যায়ৰ বায়ুৰ গুণাগুণৰ পৰীক্ষণৰ মাত্ৰা এনে ধৰণৰ;

$PM_{10}$ – ৫৭.২-৭৬.২ $\mu g/m^3$
$PM_{2.5}$ – ৩০.০-৪০.৯৬ $\mu g/m^3$
SO2 – ৫.৬-৬.৭ $\mu g/m^3$
$NO_2$ – ১৭.৭-২০.৫ $\mu g/m^3$
CO – ০.২৮-০.৩৭ $mg/m^3$

পৰ্য্যবেক্ষণ স্থলীত সামগ্ৰিক হাইদ্ৰকাৰ্বনৰ মাত্ৰা ১.৩৮ -২.৩৬ ppm পোৱা যায়। নন-মিথেন হাইদ্ৰকাৰ্বনৰ মাত্ৰা নুন্যতম পৰীক্ষণ (detection) স্তৰৰ (<০.৫ ppm) তলত পোৱা গৈছিল। তেনেদৰে সকলো volatile organic compound (VOC) মাত্ৰা <২.০৮- ৪.৩ $\mu g/m^3$ ভিতৰতে আছে।

## শব্দৰ গুনাগুণ

৮ টা অঞ্চলৰ শব্দৰ গুণাগুণ নিৰীক্ষণ কৰা হয়। প্ৰাথমিক শব্দৰ গুণাগুণ পৰীক্ষা কৰি দেখা গ'ল যে দিনত আৰু নিশাৰ সময়ত সমপৰ্যায়ৰ শব্দৰ স্তৰ ক্ৰমান্বয়ে ৫১.৩-৫৩.৯ dBA আৰু ৩৯.১-৪৪.১ dBA ৰ মাজত বিভিন্নতাসূচক আছিল।যে আবাসিক অঞ্চলৰ সমতুল্য শব্দৰ পৰিমাণ দিনৰ ভাগত আৰু ৰাতিৰ ভাগত Standard অনুযায়ী মান্য।

**ব্যৱহৃত মাটি**

অধ্যয়ন ক্ষেত্ৰৰ ভিতৰত ৬১.১% বনাঞ্চলত আছে (যার ভিতৰত সংরক্ষিত বনাঞ্চল, বন্যপ্রাণী অভয়ারণ্য আৰু অসংরক্ষিত বনাঞ্চল আছে)। ১১.৪% কৃষিৰ বাবে ১৪% চাহবাগান, নদী আৰু নদীগৰ্ভ অঞ্চলৰ লগতে ৩%। মানুহৰ বসতি প্ৰধান অঞ্চলৰ লগতে গছ গছনিয়ে ৮.২% আৱৰা।

**মাটিৰ গুণাগুণ**

পাঁচটা বেলেগ বেলেগ ঠাইৰ পৰা বেলেগ বেলেগ ধৰণৰ মাটিৰ নমুনা সংগ্ৰহৰ পাছত কৰা পৰীক্ষাৰ পৰা গম পোৱা গ'ল যে মাটি খিনি লিকটীয়া আঠাযুক্ত, কিছু পৰিমাণে এচিদ গুণসম্পন্ন। পোষক পদাৰ্থ যেনে নাইট্ৰজেনৰ পৰিমাণ তুলনামূলক ভাৱে ভাল। ফচফৰাচ আৰু পটাচিয়ামৰ পৰিমাণ কম। প্ৰদূষিত ধাতু দেখা পোৱা নগল।

**স্থানবিৱৰণ আৰু নলাৰ ব্যৱস্থা**

ডিৰক বিকাশমূলক ফিল্ডখনৰ উপৰিভাগ সমান আৰু টিলাৰ উচ্চতা গঢ়ে ১২০-১৬০ m MSL। উত্তৰ দিশলৈ এলেকাটো ক্ৰমে ঢালখোৱা আৰু বুঢ়ি দিহিঙৰ ফালে টিলাৰ উচ্চতা কম আৰু অৰুণাচল প্ৰদেশৰ ফালে দক্ষিণে টিলাৰ উচ্চতা বেছি। অধ্যয়নৰ ক্ষেত্ৰখনত ঠায়ে ঠায়ে চিৰজীৱি আৰু ঋতুজাত জান-জুৰি আছে (উদাহৰণ স্বৰূপে লেখাজান নালা, পোৱাই নালা, অংচেপ জাং নালা, নামদাং নালা, জংঘু নালা, গৰুমাৰা জান আদি) যিবোৰ বুঢ়ি দিহিং নদীত মিলিছেগৈ।

**ভূপৃষ্ঠৰ পানীৰ গুণাগুণ**

তিনটা অঞ্চলৰ ভূপৃষ্ঠৰ পানী নিৰীক্ষণ কৰা হৈছিল। যিবোৰ জলধাৰাৰ পৰা নমুনাসমূহ লোৱা আৰু বিশ্লেষণ কৰা হৈছিল সেইবোৰ প্ৰাথমিকভাৱে গা-ধোৱা, পৰিষ্কাৰ কৰা আৰু মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰা হয়। ভূপৃষ্ঠৰ পানী পৰীক্ষা কৰি পোৱা গ'ল যে পানীৰ গুণগত মান CPCB Class D ৰ লগত সজ্ঞতিপূৰ্ণ। অৰ্থাৎ বন্যজীৱন আৰু মৎস্যৰ বিস্তাৰ উপযোগী।

**ভূগৰ্ভৰ পানীৰ গুণাগুণ**

ব্লকৰ দাতি কাষৰীয়া ৪ টা অঞ্চলৰ ভূগৰ্ভষ্ঠ পানীৰ নিৰীক্ষণ কৰা হৈছিল। গৰিষ্ঠসংখ্যকৰ মাপদণ্ডৰ ঘনত্ব গ্ৰহণযোগ্য সীমা IS: ১০৫০০:২০১২ মানকৰ ভিতৰতে পোৱা গৈছে।

**জৈৱিক পৰিৱেশ**

অধ্যয়ন ক্ষেত্ৰৰ এক তাৎপৰ্যপূৰ্ণ অংশতে আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলৰ আৰু দিহিং পাটকাই বন্যপ্ৰাণী অভায়ৰণ্য পৰে। আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলৰ দুটা এলিফ্যান্ট কৰিডোৰ বগাপানী আৰু গোলাই-পোৱাইস্থিত অধ্যয়ন ক্ষেত্ৰৰ পূৱ সীমাত পৰে। সুৰক্ষিত এলেকাকে ধৰি চাহ বাগানে আগুৰা এলেকাই অধ্যয়ন ক্ষেত্ৰকে ধৰি আশে-পাশে ভালেমান ভূমি আৱৰি আছে।

সমীক্ষাত পোৱা মতে অধ্যয়ন ক্ষেত্ৰত ১৮০ বিধ উদ্ভিদৰ প্ৰজাতি লিপিবদ্ধ/ প্ৰতিবেদন কৰা হৈছিল। সমীক্ষাত পোৱামতে ১১ বিধ স্তন্যপায়ী, ৬৫ বিধ পক্ষী, ৮ বিধ সৰীসৃপ আৰু ৪ বিধ উভচৰ প্ৰজাতি প্ৰস্তাৱিত কূঁপক্ষেত্ৰৰ চৌপাশে লিপিবদ্ধ আৰু প্ৰতিবেদন কৰা হৈছিল।

চাৰিটা অনুসূচী-১ (Schedule-1) প্ৰজাতিৰ স্তন্যপায়ী (স্থানীয় নাহৰফুটুকী, শ্ল' লৰিছ, হলৌ বান্দৰ, হাতী); ছবিধ চৰাই (অৰিয়েন্টেল পাইড হৰ্নবিল, চৰ্ট-ট'ড স্নেক ইগল, চিক্ৰা, ব্লেক

চ ষ্ল্ডাৰ্ড কাইট, কমন কেষ্ট্ৰেল, ব্লেক কাইট), দুটা প্ৰজাতিৰ সৰিসৃপ (ইণ্ডিয়ান ৰক পাইথন, বেংগল মনিটৰ লিজাৰ্ড) অধ্যয়নক্ষেত্ৰত প্ৰতিবেদন কৰা হৈছিল।

### আৰ্থসামাজিক পৰিৱেশ

তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা ৰাজহ খণ্ডৰ মুঠ ১৭ খন গাঁও প্ৰস্তাৱিত কূঁপ, জিজিএছ আৰু পাইপলাইনৰ কাষৰ এলেকাৰ ১ কিলোমিটাৰ পৰিধিৰ ভিতৰত পৰে। ডিৰক বিকাশমূলক ক্ষেত্ৰ, ডিৰক নং ১ (৩৯৯৬ জন)ত অধ্যয়ন ক্ষেত্ৰৰ ভিতৰত থকা গাঁওবোৰৰ ভিতৰত সৰ্বাধিক জনসংখ্যা আছে। তাৰে পিছে পিছে আছে 112/109/Nla গ্ৰাণ্ট ২ মাকুম চাহ কো. (৩৩৩৩ জন)।

মাকুম ব্লক নং ২ত আটাইতকৈ কম পৰিমাণৰ জনসংখ্যা (৩০৫জন) লিপিবদ্ধ কৰা হৈছিল। সৰ্বাধিক সাক্ষৰতাৰ হাৰ বৰকুৰুকাত (৯২.৭২%) আৰু সৰ্বনিম্ন লিপিবদ্ধ কৰা হৈছিল 112/109/Nla গ্ৰাণ্ট ২ মাকুম চাহ কো.ত (৪২.১০%)।

### মৌলিক আন্তগাথনি আৰু সা-সুবিধাসমূহ

খোৱাপানীৰ মুল উৎস হৈছে ভূজল। স্থানীয় লোকে কোৱা মতে পৰ্যাপ্ত আৰু গুণাগুণ খোৱাপানীৰ ক্ষেত্ৰত সমস্যা নহয়।

চিকিৎসা সেৱা-সুবিধা হৈছে মূল সেৱা সূচাংক যিটো অধ্যয়ন কৰাৰ প্ৰয়োজন আছে যাতে অঞ্চলটোৰ জীৱন ধাৰণৰ গুণাগুণ জানিব পৰা যায়। অধ্যয়নৰ বাবে বিবেচিত আটাইবোৰ অধ্যয়ন গাঁৱত পঞ্চায়ত পৰ্যায়ৰ উপস্বাস্থ্য কেন্দ্ৰ আছে। চাহ বাগানৰ চৌহদত চিকিৎসা সেৱা চাহ বাগানৰ কৰ্মীৰ বাবে উপলব্ধ। এটামাত্ৰ ব্লকত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ অৱস্থিত। অন্যথা গাঁৱৰ মানুহে ডিগবৈ আৰু মাৰ্ঘেৰিটালৈ চিকিৎসা সেৱাৰ বাবে যাবলগীয়া হয়।

অধ্যয়ন এলেকাত আৱশ্যকীয় শৈক্ষিক আন্তগাথনি আছে যিয়ে গ্ৰামীণ আৰু নগৰাঞ্চলৰ জনসংখ্যাৰ শৈক্ষিক চাহিদা পুৰাব পাৰে। অধ্যয়ন ক্ষেত্ৰৰ গাঁওবোৰত এখনতকৈ বেছি প্ৰাথমিক বিদ্যালয় আৰু এখন হাইস্কুল আছে। আইচিডিএছ সকলো গাঁৱতে আছে। উচ্চ শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ডিগবৈ নাইবা মাৰ্ঘেৰিটালৈ যাবলগীয়া হয়।

## পাৰিৱেশিক প্ৰভাৱৰ মূল্যায়ন

প্ৰকল্পৰ কাৰ্যকলাপৰ পৰা উদ্ভুত সাম্ভাব্য প্ৰভাৱ তীব্ৰতা, পৰিসৰ আৰু সময়ৰ হিচাপত মূল্যায়ন কৰা হৈছিল। প্ৰকল্পৰ কাৰ্যকলাপৰ পৰা উদ্ভূত সাম্ভাব্য প্ৰভাৱৰ এনেধৰণৰঃ

### বায়ুৰ গুণাগুণ ওপৰত প্ৰভাৱ

ডিজি ছেটৰ পৰিচালন, খনন কাৰ্যকলাপৰ সময়ত বাহন আৰু মেচিনেৰীৰ চালচলন আৰু জিজিএছ আৰু পাইপলাইনৰ নিৰ্মাণ আদিৰ ফলত বায়ু প্ৰদূষক যেনে PM, NOx আৰু $SO_2$ সৃষ্টি হ'ব পাৰে যিয়ে সাময়িকভাৱে বায়ুৰ গুণাগুণত প্ৰভাৱ পেলাব পাৰে। কূঁপ পৰীক্ষণৰ সময়ত জ্বলোৱা প্ৰাকৃতিক গেছ আৰু জিপিপি-ৰ পৰা বায়ু প্ৰদূষক যেনে PM, NOx আৰু $SO_2$ আদি সৃষ্টি হ'ব পাৰে। বায়ুৰ গুণাগুণৰ ওপৰত পৰা প্ৰভাৱ মৃদু বুলি মূল্যায়িত কৰা হৈছে।

**শব্দৰ গুণাগুণ ওপৰত প্ৰভাৱ**

উচ্চ ক্ষমতা সম্পন্ন মেচিন, সৰঞ্জাম, যান বাহনৰ ব্যৱহাৰে শব্দৰ মাত্ৰা বৃদ্ধি কৰিব পাৰে। খননৰ সময়চোৱাত ড্ৰিলিং ৰিগ আৰু আন আনুসঙ্গিক সা সৰঞ্জাম যেনে Shale Shaker, mud pump আৰু ডিজেল/গ্যাস জেনেৰেটৰ আদিৰ ব্যৱহাৰে অপাৰেচনৰ সময়চোৱাত সাময়িক ভাৱে হলেও শব্দৰ মাত্ৰাত প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে।

**মাটিৰ গুণাগুণ ওপৰত প্ৰভাৱ**

প্ৰকল্প এলেকাত ভুপৃষ্ঠৰ মাটিখিনি খন্দাৰ ফলত মাটিৰ সাৰুৱা গুণ সাময়িক ভাৱে নাইকিয়া হ'ব। ত্ৰুটিপূৰ্ণভাৱে ৰখা সামগ্ৰীবোৰআৰু প্ৰকল্পত ব্যৱহৃত হোৱা তেল, মবিল, খননৰ পৰা ওলোৱা বোকা মাটি আদিৰ ফলত মাটিৰ ওপৰত প্ৰতিকুল প্ৰভাৱ পৰিব পাৰে।

**ভূসংস্থান আৰু নিৰ্বাহৰ ওপৰত প্ৰভাৱ**

প্ৰস্তাৱিত খনন ক্ষেত্ৰ আৰু জিচিএচ স্থানৰ কাৰণে ৰেইজিং, লেভেলিং আৰু গ্ৰেডিঙৰ কাৰণে ক্ষুদ্ৰ প্ৰৱাহৰ আৰ্হি সালসলনি হ'ব পাৰে। ভূসংস্থান আৰু নিৰ্বাহ প্ৰণালীৰ ওপৰত সাম্ভাব্য প্ৰভাৱ নগণ্য।

**পানীৰ গুণাগুণ ওপৰত প্ৰভাৱ**

খনন কাৰ্যৰ পৰা সৃষ্ট আটাইবোৰ বৰ্জ্য জল ইটিপি-ত শোধন কৰা হ'ব আৰু পুনৰ্ব্যৱহাৰ কৰা হ'ব। নিৰ্ধাৰিত মানকৰ ভিতৰত পৰাকৈ সকলোধৰণৰ ডিচ্চাৰ্জ সীমাবদ্ধ কৰি ৰখা হ'ব। বুঢ়ি দিহিং নদীৰ সমীপতে খনন ক্ষেত্ৰকেইটা থকা হেতুকে শোধিত বৰ্জ্য জল বুঢ়ি দিহিং নদী পাব পাৰে। খনন কাৰ্যৰ ফলত ভূপৃষ্ঠৰ সিঁচৰিত হোৱা অনিয়ন্ত্ৰিত চাৰফেচ ৰানঅফত খনন আৱৰ্জনাৰ তৰল বা তেল আৰু গ্ৰীজৰ সৈতে মিশ্ৰিত হোৱা ষ্টৰ্ম ৱাটাৰে ভূপৃষ্ঠৰ পানীৰ গুণাগুণত প্ৰভাৱ পেলাব পাৰে। যাহওক, চেডিমেণ্টেচন টেংক আৰু অইল ৱাটাৰ চেপাৰেটৰেৰে চাইটতে চাৰফেচ ৰানঅফ শোধন কৰা হ'ব। সেয়ে ভূপৃষ্ঠৰ পানীৰ প্ৰদূষণ সম্ভাৱনীয়তা কম।

**জৈৱিক পাৰিপাৰ্শ্বিকতা ওপৰত প্ৰভাৱ**

প্ৰস্তাৱিত কূপ ক্ষেত্ৰ, উৎপাদন কেন্দ্ৰ, সংযোজী বাট-পথ আৰু পাইপলাইনৰ RoUত থকা বিদ্যমান সেউজ অঞ্চল আঁতৰোৱা হ'ব। কূপ খনন আৰু খনন ক্ষেত্ৰ, উৎপাদন কেন্দ্ৰ আৰু সংযোজী বাট-পথত চলাচল হোৱা যান-বাহনৰ সৃষ্ট শব্দই সৰিসৃপ, চৰাই আৰু স্তন্যপায়ীক বিৰূপ প্ৰভাৱ পেলাব পাৰে আৰু তাৰ ফলত সিবোৰ সাময়িকভাবে প্ৰকল্প ক্ষেত্ৰৰ পৰা আঁতৰি যাব পাৰে। খনন ক্ষেত্ৰ আৰু উৎপাদন কেন্দ্ৰৰ পৰা হোৱা চাৰফেচ ৰানঅফ আৰু গেদৰ ফলত বুঢ়ী দিহিং স্ৰোতত মিহলি হ'ব পাৰে। বৰ্জিত গোটা বস্তুৱে পানী অধিক ঘোলা কৰিব পাৰে আৰু তাৰ পৰিণতিত পানীৰ দ্ৰৱীভূত অক্সিজেন (DO ৰ পৰিমাণ)ত বিৰূপ প্ৰভাৱ পেলাব পাৰে। ঘোলা পানী আৰু কম মাত্ৰাৰ দ্ৰৱীভূত অক্সিজেনৰ ফলত জান-জুৰি আৰু নৈৰ প্ৰভাৱিত ক্ষেত্ৰসমূহত উৎপাদনশীলতা হ্ৰাস কৰাব পাৰে। ঔদ্যোগিক প্ৰদূষিত নিৰ্বহনৰ মান বৰ্তাই ৰাখিবপৰাকৈ প্ৰক্ৰিয়াকৃত প্ৰদুষিত নিৰ্বহন ইটিপিত যথোচিতভাৱে প্ৰক্ৰিয়াকৰণ কৰা হ'ব। প্ৰক্ৰিয়াকৃত প্ৰদুষিত নিৰ্বহনে জান-জুৰিৰ পানীৰ গুণাগুণত প্ৰত্যক্ষ প্ৰভাৱ নেপেলায় বুলি আশা কৰা হৈছে।

**আৰ্থ-সামাজিক পৰিৱেশ ওপৰত প্ৰভাৱ**

স্থানীয় সমূহৰ পৰা আৰু চাহ বাগানৰ মালিক পৰা ভূমি আহৰণ কৰা হ'ব। যাহওক কোনো

ভৌতিক বিচ্যুতি ভূমি আহৰণৰ সময়ত কৰা নহ'ব বুলি ধৰা হৈছে। এই কূঁপকেইটাৰ কাৰণে আৱশ্যকীয় ভূমিৰ আৱশ্যকতা হৈছে ২ হেক্টৰ প্ৰতি কূঁপ আৰু জিজিএছৰ কাৰণে ১ হেক্টৰ প্ৰতি জিজিএছ। অতিৰিক্তভাৱে ১০০-১৫০ মিটাৰ এপ্ৰ'চ ৰোড খনন ক্ষেত্ৰৰ পৰা সমীপৱৰ্তী চাইট এক্সেছ পথলৈ পোৱাকৈ নিৰ্মাণ কৰিবলগীয়া হ'ব। ভূমিখিনি একক শস্যৰ খেতি কৰা কৃষিভূমি হোৱা হেতুকে জীৱিকাৰ ক্ষেত্ৰত ভূমিৰ মালিকৰ নিৰ্ভৰশীলতা সীমাবদ্ধ।

এইচওইচি/ইয়াৰে ঠিকাদাৰে স্থানীয় লোকক সৰ্বাধিক সংখ্যাত নিয়োগ কৰাৰ চেষ্টা চলাব যাতে কৌশলবিহীন শ্ৰমিক আৱশ্যকতা প্ৰকল্পৰ পৰ্যায়ত পুৰণ হয়। অৱশ্যে নিয়োগৰ প্ৰকৃতি সম্পূৰ্ণৰূপে অস্থায়ী হ'ব আৰু সেয়া প্ৰকল্পৰ কাৰ্যকলাপ সম্পূৰ্ণ হোৱা সময়লৈকে থাকিব। অৰ্ধ-কুশলী আৰু উচ্চ কুশলী প্ৰব্ৰজিত শ্ৰমিকক ঠিকাদাৰে প্ৰযুক্তিগত কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

প্ৰকল্পৰ নিৰ্মাণৰ পৰ্যায়ত প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সুযোগ সৃষ্টি হ'ব পাৰে। ধাৰ্য কৰা প্ৰত্যক্ষ নিয়োগ প্ৰায় ৫০ গৰাকী কৌশলবিহীন শ্ৰমিক নিৰ্মাণ কাৰ্য তুংগত থকা সময়ত লগোৱা হ'ব। এই শ্ৰমিক স্থানীয়ভাৱে নিয়োগ কৰা হ'ব। পৰোক্ষ নিয়োগ মূলতঃ বিক্ৰেতাৰ যোগান শৃংখল হিচাপে আহিব যিটোৱে নিৰ্মাণ কাৰ্যত সমৰ্থন আগবঢ়াব।

**জনস্বাস্থ্য আৰু সুৰক্ষাৰ ওপৰত প্ৰভাৱ**

গাওঁৰ মাজেৰে গধুৰ যান বাহনৰ চলাচল, ৰিগৰ পৰা হোৱা শব্দ প্ৰদূষণে জনস্বাস্থ্য আৰু সুৰক্ষাৰ ওপৰত প্ৰভাৱ পেলাব। সকলোৰে নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি যাতায়তৰ নিয়ম সমূহ কঠোৰ ভাৱে প্ৰকল্পৰ লগত জড়িত লোক সকলে মানি চলিব লাগিব।

## পৰিবেশ নিয়ন্ত্ৰণ আঁচনি

পৰিবেশ নিয়ন্ত্ৰণ আঁচনিৰ অন্তৰ্গত বিষয়বোৰ তলত দিয়া ধৰণৰ

- চৌপাশৰ বায়ুৰ গুণাগুণ: তিনিটা অৱস্থান, এবাৰ নিৰ্মাণৰ সময়ত, দুবাৰ খননৰ সময়ত আৰু এবাৰ নিৰ্মাণ স্থলী সামৰাৰ সময়ত গুণাগুণ পৰীক্ষা কৰিব;
- খননৰ সময়ত জেনেৰেটৰ পৰা হোৱা নিৰ্গমণ(stack emission) পৰীক্ষা কৰিব।
- চৌপাশৰ শব্দৰ গুণাগুণ: তিনিটা নিয়ন্ত্ৰণৰ অৱস্থান, এবাৰ নিৰ্মাণৰ সময়ত, দুবাৰ খননৰ সময়ত আৰু এবাৰ নিৰ্মাণ স্থলী সামৰাৰ সময়ত পৰীক্ষা কৰিব।
- কৰ্মস্থলীৰ শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ : ৫ টা বিশেষ স্থানত খননৰ সময়চোৱাত দুবাৰকৈ পৰীক্ষা কৰিব।
- ভুপৃষ্ঠৰ পানীৰ গুণাগুণ: দুটা স্থানত, এবাৰ নিৰ্মাণৰ সময়ত, এবাৰ খননৰ সময়ত আৰু এবাৰ নিৰ্মাণ স্থলী সামৰাৰ সময়ত গুণাগুণ পৰীক্ষা কৰিব।
- পৰিশোধিত পানীৰ গুণাগুণ: দুটা ETP ৰ পৰা, এটা Oil/Water Separator ৰ পৰা খননৰ সময়চোৱাত এবাৰকৈ পৰীক্ষা কৰিব।
- ভূগৰ্ভৰ পানীৰ গুণাগুণ: তিনিটা স্থানত খননৰ সময়চোৱাত এবাৰকৈ পৰীক্ষা কৰিব।
- মাটিৰ গুণাগুণ: তিনিটা স্থানত, এবাৰকৈ নিৰ্মাণৰ পূৰ্বে, খননৰ সময়ত আৰু খননৰ পাছত পৰীক্ষা কৰিব।

## Risk মূল্যায়ন আৰু প্ৰশমন

সংখ্যাত্মক সংকাত মূল্যায়নৰ (QRA) লক্ষ্য হ'ল প্ৰস্তাৱিত ২৪ টা খাদৰ, জিজিএছ আৰু পাইপলাইনঃ হ'ব পৰা ডাঙৰ সংকাত সমূহৰ প্ৰণালীবদ্ধ বিশ্লেষণ কৰা। QRA এ পদ্ধতিগত আঁচনিৰ জৰিয়তে যুক্তিসংগত মূল্যায়নেৰে হব পৰা সংকট সমূহ চিনাক্ত কৰিব আৰু প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰিব।

প্ৰস্তাৱিত প্ৰকল্পৰ সতে জড়িত থকা চাৰিবিধ ডাঙৰ হানিকাৰক সংকাত সমূহ হ'ল–

- অনিয়ন্ত্ৰিত ভাৱে খাদৰ পৰা ওলোৱা গেচীয় পদাৰ্থ, Jet fires, Pool Fires আদি;
- খননৰ সময়ত ধাৰণ ক্ষমতা কম হোৱাৰ ফলত হাইদ্ৰকাৰ্বনৰ লিক হোৱা;
- আঁচনি বিহীন ভাৱে লগোৱা জুই, বিস্ফোৰণ, হঠাতে উফৰি অহা কোনো বিপদজনক পদাৰ্থ আৰু কাম কাজৰ পৰা হ'ব পৰা ঘটনা যাৰ ফলত কৰ্মস্থলীতে মানুহৰ মৃত্যু বা সাংঘাটিক ধৰণে আঘাট পাব পাৰে; আৰু
- আন যিকোনোঘ ঘটনা যিটোৱে ৰিগৰ ক্ষতিসাধন কৰিব পাৰে।

Blow Out_সম্ভাব্য সৰ্বাধিক সংকাত আশংকা ৫০ kg/s ত crude oil বাহিৰ হৈ জ্বলি Vapour Cloud Explosion (VCE) মডেল কৰা হয়।এই পৰিস্থিতি অৱশ্যে Level of Concern (LOC) পোৱগৈ নাই যিটো পৰ্য্যায়ত ধন জনৰ ক্ষতি হোৱাৰ সম্ভাৱনা থাকে। খননৰ সময়ত হাইদ্ৰকাৰ্বনৰ লিক গ্যাস হেডাৰ এক্সটেনশন ক্ষয়, যান্ত্ৰিক গোলযোগ থেকে হতে পাৰে। পাইপ লাইনৰ ভিতৰৰ অহৰহ ভাৱে চাপত থাকি বাহিৰ হোৱা তৰলত জুই লগাৰ সম্ভাৱনীয়তাক Jet Fire বোলা হয়। নিকৃষ্টতম অৱস্থা হ'ল (50 mm leak) প্ৰাকৃতিক গেচত লগা জুই ৩৫ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত বিয়পি পৰে।

বিপদশংকা হ্ৰাসকৰণ ব্যৱস্থা

- Kick Simulation প্ৰশিক্ষণ
- উপযুক্ত ভাৱে প্ৰশিক্ষণপ্ৰাপ্ত ইঞ্জিনীয়াৰৰ উপস্থিতি
- খাদৰ উপযুক্ত নক্সা
- উপযুক্ত খাদ নিয়ন্ত্ৰণ প্ৰক্ৰিয়া
- উপযুক্ত বোকা (Mud) প্ৰস্তুতিকৰণ
- প্ৰাথমিক আৰু আনুসংগিক নিৰ্গমণ নিৰ্বাৰক স্থাপন
- দক্ষ আৰু প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মী।

যন্ত্ৰপাতিৰ ফুটাৰ পৰা হোৱা দুৰ্ঘটনা হ্ৰাসকৰণ

- যন্ত্ৰপাতি সমূহৰ পৰিকল্পনা, স্থাপন আৰু ভালদৰে ৰখাৰ বাবে আন্তঃৰাষ্ট্ৰীয় মানৰ আঁচনি হ'ব লাগে
- প্ৰতিটো safety critical যন্ত্ৰৰ বাবে এক উপযুক্ত নিবাৰক তত্বাবধান প্ৰক্ৰিয়া প্ৰণয়ন
- দক্ষ test separator।

সংৰক্ষিত এলেকাৰ বিপদৰোধৰ উপায়

- উপযুক্ত  তত্বাবধান প্ৰক্ৰিয়া, সবল নিৰাপত্তা ব্যৱস্থা আৰু সুৰক্ষা প্ৰক্ৰিয়া
- Storage tank ৰ বাবে আনুসংগিক সংৰক্ষণ ব্যৱস্থা।

আন বিপদ শংকা ব্যৱস্থাপনা লাভ কৰাৰ উপায়

- Hydrocarbon Gas Detection System যাৰ লগত দুটা alarm ৰ ব্যৱস্থা থাকিব ২০% আৰু ৬০% LEI পৰ্য্যায়ৰ।
- Oil Spills/Leaks and Soil Contamination নিয়ন্ত্ৰণ প্ৰক্ৰিয়া।

## পৰিবেশগত ব্যৱস্থাপনা পৰিকল্পনা

### বায়ু প্ৰদূষণ  ব্যৱস্থাপনা প্ৰক্ৰিয়া

- বাহনে  কঢ়িওৱা কেচাঁ সামগ্ৰী সমূহ  ঢাকি ৰখা হব যাতে fugitive emission ৰোধ কৰিব পাৰি।
- সামগ্ৰী কঢ়িওৱা ৰাষ্টাবোৰত আৰু সামগ্ৰীৰ ওপৰত নিৰ্মাণৰ সময়ত পানী চটিওৱা।
- পৰ্যাপ্ত উচ্চতাৰ Flare Stack বনোৱা।
- নিয়ম অনুসৰি পৰ্যাপ্ত উচ্চতাৰ জেনেৰেটৰ stack বনোৱা।
- পৰিবেশ নিয়ন্ত্ৰণ আঁচনিৰ লগত সংগতি ৰাখি সময় মতে জেনেৰেটৰ Stack পৰ্য্যবেশন কৰা যাতে CPCB DG Set Exhaust মানৰ লগত পৰিমাপৰ মিল থাকে।

### শব্দ প্ৰদূষণ  ব্যৱস্থাপনা প্ৰক্ৰিয়া

- কম শব্দ ওলোৱা যন্ত্ৰপাতিৰ নিৰ্বাচন আৰু ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া।
- বেছি শব্দ হোৱা ঠাইত কাম কৰোতে শ্ৰমিকসকলে প্ৰয়োজনীয় PPEs বিশেষকৈ Ear Plug পিন্ধাটো বাধ্যতামূলক কৰা।
- কেঁচা সামগ্ৰী আৰু মানুহ কঢ়িৱাওতে ব্যৱহাৰ হোৱা গাড়ী বোৰৰ ন্যায়সংগত Pollution Under Control Certificates (PUC) থকাটো বাঞ্চনীয়।
- বেচিকৈ শব্দ উৎপাদন হোৱা যন্ত্ৰ পাতিবোৰ বিচাৰি উলিওৱা আৰু সময়মতে সেইবোৰৰ মেৰামতি কৰা।

### মাটিৰ গুণাগুণ ব্যৱস্থাপনা প্ৰক্ৰিয়া

- যানবাহন আৰু যন্ত্ৰপাতিৰ মেৰামতি আৰু ইন্ধন ভৰোৱাৰ সময়ত Drip Tray ব্যৱহাৰ কৰা।
- তেল মবিল জাতীয় বস্তুবোৰ ৰখা ঠাইত হাততে পোৱাকৈ Spill Kit ৰখাটো প্ৰয়োজনীয়। এইবোৰ উপচি পৰিলে বা ফুটাৰে বৈ আহিলে লগে লগে ফুটা বন্ধ কৰি ঠাইডোখৰ চাফা কৰা আৰু কতৃপক্ষক অৱগত কৰা।
- Dedicated Paved Storage অঞ্চল চিনাক্ত কৰা হব ৰাসায়নিক, তেল, মবিল আদিৰ বাবে।
- ১.৫ mm HDPE লাইনেৰে আবৃত গাঁত ব্যৱহাৰ কৰা হব।

### ভূপৃষ্ঠৰ পানীৰ গুণাগুণ ব্যৱস্থাপনা প্ৰক্ৰিয়া

- প্ৰকল্পৰ মাটিভাগ সমানকৈ প্ৰস্তুত কৰাৰ সময়ত সামান্য ভাৱে মাটিবোৰ খন্দা যাতে মাটিৰ আকৃতি,অৱয়বৰ ওপৰত কম প্ৰভাৱ পৰে।
- প্ৰকল্প স্থানৰ প্ৰস্তুতি আৰু নিৰ্মাণৰ সময়ত ভূপৃষ্ঠৰ ভাগ উপযুক্ত ভাৱে নিৰ্মাণ কৰা নলাৰে বোৱাই পঠিওৱা হ'ব।
- Sediment Filters and Oil Water Separator বহোৱা হ'ব যাতে পানীৰ লগত অহা আবৰ্জনা পৃথক কৰিব পাৰি।
- প্ৰকল্প স্থানত উৎপাদন হোৱা Domestic wastewater চেপটিক টেংক আৰু soak pit ৰ মাধ্যমেৰে এৰি দিয়া হ'ব।
- বৰ্জনীয় পানীভাগ Effluent Treatment Plant (ETP) সহায়ত পৰিশোধন কৰা হ'ব।

### ভূগৰ্ভৰ পানীৰ গুণাগুণ ব্যৱস্থাপনা প্ৰক্ৰিয়া

- Water Based Mud (পানীমিহলি মাটি)প্ৰস্তাৱিত প্ৰকল্পৰ খননৰ সময়ত ব্যৱহাৰ কৰা হ'ব।
- Eco Friendly Synthetic mud প্ৰয়োজন অনুপাতে ব্যৱহাৰ কৰা হ'ব Pollution Control Board/MoEF&CC ৰ অনুমতি সাপেক্ষে।
- Spent Mud ৰ লগতে Drill Cutting বোৰ HDPE লাইনেৰে আবৃত গাঁতত ৰখা হ'ব।

### আৰ্বজনা ব্যৱস্থাপনা প্ৰক্ৰিয়া

- খনন তৰল (Fluid) প্ৰস্তুত কৰাৰ বাবে কম বিষাক্ত ৰাসায়নৰ ব্যৱহাৰ।
- তেল খনন বা গেচ নিষ্কাষন উদ্যোগ সমূহৰ পৰা বৰ্জনীয় পদাৰ্থৰ মান 2005 চনৰ সংশোধিত CPCB ৰ অনুসৰি হ'ব লাগিব।
- বিপদজনক আৰ্বজনাৰ (আৰ্বজনা আৰু ব্যৱহৃত তেল) ব্যৱস্থাপনা ২০১৬ চনৰ Hazardour Waste (Management, Handling & Transboundary) আইন মতে হ'ব লাগিব।
- পাকঘৰৰ আৰ্বজনাবোৰ ওচৰৰ পৌৰসভা বা গাঁৱৰ আৰ্বজনা পেলোৱা ঠাইত হ'ব।
- নলা নৰ্দমাৰ আৰ্বজনা চেপটিক টেংক আৰু soak pit ৰ মাধ্যমেৰে এৰি দিয়া হ'ব।
- ব্যৱহৃত বেটাৰীবোৰ ২০০১ চনৰ Batteries (Management and Handling) Rules অনুসৰি Lead Acid Battery যোগানকাৰী জৰিয়তে পুনঃব্যৱহাৰ কৰা হ'ব।
- বাৰিষাৰ সময়ত Drilling Cuttings Pit বোৰ টাৰপলিনেৰে বান্ধি ঢাকি ৰখা হ'ব।

### বন্যপ্ৰাণী ব্যৱস্থাপনা প্ৰক্ৰিয়া

- নিশাৰ ভাগত গধুৰ যানবাহনৰ চলাচল নিয়ন্ত্ৰণ কৰা হব যদিহে পথচোৱা জংগলৰ ওচৰত হয় কাৰণ নিশাৰ ভাগত Mammal বোৰ বাহিৰলৈ ওলাই আহে।
- কম শব্দ ওলোৱা যন্ত্ৰপাতিৰ নিৰ্বাচন আৰু ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া।
- সাময়িক ভাৱে কোনো বিদ্যুৎ সংযোগ Grid ৰ পৰা লোৱা নহয়। বিদ্যুৎৰ প্ৰয়োজনীয়তা জেনেৰেটৰৰ সহায়ত পূৰণ কৰা হ'ব।

**পথ সুৰক্ষা আৰু যাতায়ত ব্যৱস্থাপনা প্ৰক্ৰিয়া**

- যিবোৰ পথ আৰু দলঙেৰে যানবাহন আৰু ড্ৰিলিং ৰিগ বোৰৰ যাতায়ত হব সেইবোৰ চিনাক্ত কৰি মেৰামতি কৰা হব।
- বাট পথৰ যাতে ক্ষতি নহয় তাৰবাবে সাৱধানতা অৱলম্বন কৰিব লাগিব।
- বেছি মানুহৰ সমাগম হোৱাৰ সময়ত যাতায়ত ব্যৱস্থা নিয়ন্ত্ৰণ কৰা হ'ব।

**পেশাদাৰী স্বাস্থ্য আৰু সুৰক্ষা ব্যৱস্থাপনা প্ৰক্ৰিয়া**

- ব্যৱহৃত যন্ত্ৰ পাতি সমূহ Indian Standards (IS) কডৰ সমপৰ্য্যায়ৰ হব লাগিব। ভাল অৱস্থাত থাকিব লাগিব, সময়ে সময়ে পৰীক্ষা আৰু মেৰামতি কৰিব লাগিব IS বিধান অনুসৰি।
- বিপজ্জনক ঠাই, সংস্থাপনা, সা সৰঞ্জাম, সুৰক্ষা সামগ্ৰী, জৰুৰীকালীন প্ৰস্থান আদি যথোপযুক্ত ভাৱে চিন দি থোৱা হ'ব।

**সামাজিক বিষয় ব্যৱস্থাপনা**

- অস্থায়ীভাবে প্ৰয়োজন হোৱা অপৈণত বনুৱাৰ নিযুক্তিত কাষৰীয়া গাঁৱৰ লোকসকলক আগস্থান দিয়া হব।
- প্ৰকল্প স্থাপনৰ পূৰ্বে কাষৰীয়া লোকৰ লগত মত বিনিময় কাৰ্য্যসূচী গ্ৰহণ কৰা, স্থানীয় লোকৰ লগত প্ৰকল্পৰ লক্ষ্যৰ বিষয় আলোচনা কৰা, প্ৰকল্পৰ ফল আৰু উপশমৰ আলোচনা কৰা আদি।
- Corporate Social Responsibility (CSR) আঁচনি অনুসৰি ঠাইডোখৰৰ উন্নতি, স্বাস্থ্য সম্বন্ধীয় সুবিধবোৰৰ উন্নতি, খোৱাপানীৰ ব্যৱস্থা আদিৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা।
- প্ৰকল্পস্থানত বেৰ আৰু গেট দিয়া যাতে সৰু লৰা ছোৱালীবোৰ ভিতৰলৈ সোমাব নোৱাৰে।

## প্ৰকল্পৰ ব্যয়

প্ৰকল্পৰ মুঠ ব্যয় হ'ব প্ৰায় ৫৫২.৩৩ কোটি টকা। কূঁপৰ খননৰ বাবে পাৰিৱেশিক ব্যৱস্থাপনা পৰিকল্পনাৰ সাম্ভাব্য বাজেট হৈছে প্ৰতি কূঁপৰ কাৰণে ২৫.৯২ লাখ টকা আৰু ২৪ টা কূঁপৰ বাবে ৬২২.৩২ লাখ টকা।